ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহকত যি পৰিমাণ পৰিশ্ৰম কৰিছিল, সেই পৰিমাণ পৰিশ্ৰম বেলেগ দিনত কৰা নাছিল।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে ৰমাজান মাহৰ শেষ দহকত যি পৰিমাণ পৰিশ্ৰম কৰিছিল, সেই পৰিমাণ পৰিশ্ৰম বেলেগ দিনত কৰা নাছিল।
[ছহীহ] [(মুছলিম)]

ৰমাজানৰ শেষ দহকত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ইবাদত আনুগত্যৰ জৰিয়তে অত্যন্ত পৰিশ্ৰম কৰিছিল। তেখেতে বিভিন্ন প্ৰকাৰৰ কল্যাণকৰ কাম, বিভিন্ন ধৰণৰ সৎকৰ্ম আৰু ইবাদত অন্যান্য দিনৰ তুলনাত বেছি বেছি কৰিছিল। কাৰণ এই ৰাতি কেইটা খুবেই ফজীলতপূৰ্ণ, লগতে লাইলাতুল ক্বদৰ সন্ধানৰ আশাত এনেকুৱা নেক কাম বেছি কৰিছিল।

http://www.sunnah.global/hadeeth/as/show/3755